**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি উত্তৰাখণ্ডত ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২।	আফ্ৰিকা মহাদেশৰ দুখন ৰাষ্ট্ৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কালি এংগোলাত উপস্থিত হয়।

৩।	৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি অসমৰ গুৱাহাটীৰ লাচিত ঘাটত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

৪।	ভাৰত আৰু নিউজিলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পৰ্কীয় চতুৰ্থ পৰ্যায়ৰ আলোচনা সম্পূৰ্ণ হৈছে।

*আৰু*

৫।	দোহাত অনুষ্ঠিত বিশ্ব স্নুকাৰ চেম্পিয়নশ্বিপৰ প্ৰথম ৰাউণ্ডত পংকজ আদৱানিয়ে কালি কানাডাৰ ছাহিল নইয়ৰক পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত এটা অনুষ্ঠান অংশগ্ৰহণ কৰাৰ উদ্দেশে আজি ডেৰাডুনলৈ যাব। ভ্ৰমমকালত প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট মুকলি কৰিব আৰু এখন সমাবেশত ভাষণ দিব। শ্ৰীমোদীয়ে লগতে ৯৩০ কোটিৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব আৰু ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এলানি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ খোৱা পানী যোগান, জল সিঞ্চন, কাৰিকৰী শিক্ষা, শক্তি, নগৰ উন্নয়ন, ক্ৰীড়া আৰু দক্ষতা বিকাশৰ সৈতে জৰিত। ভ্ৰমনকালত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ২৮ হাজাৰৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ৬২ কোটি টকা হস্তান্তৰ কৰিব।

ooooo

আফ্ৰিকা মহাদেশৰ দুখন ৰাষ্ট্ৰ ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কালি এংগোলাত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুৰে যাত্ৰা কৰা বিমানখন যোৱা নিশা এংগোলাৰ ৰাজধানী লোৱান্দাত অৱতৰন কৰে। এয়া হৈছে এংগোলালৈ কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো আনুষ্ঠানিক ভ্ৰমণ। এংগোলাৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৪০ বছৰ পূৰ্তি উদযাপন কৰাৰ অৰ্থে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু দেশখনত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ এই সময়ছোৱাতে দুয়োখন দেশৰ মাজত দ্বিতীয়খন উচ্চ পৰ্যায়ৰ বৈঠক সম্পন্ন হ'ব। ইয়াৰ পূৰ্বে মে' মাহত এংগোলাৰ ৰাষ্ট্ৰপতিগৰাকী ভাৰত ভ্ৰমণলৈ আহিছিল। আজি লোৱান্দাত অৱস্থিত ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোৱাও মেনুৱেল গনকলভ লৰেনকোৰ সৈতে আলোচনাত মিলিত হ'ব। এই বৈঠকতে দুয়োখন দেশৰ মাজত পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয়সমূহৰ ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এংগোলাত অহা মঙলবাৰলৈ থাকিব আৰু দেশখনৰ ৫০ বছৰীয়া স্বাধীনতা দিৱস উদযাপন কাৰ্যসূচীত ভাগ ল'ব। তেওঁ এংগোলাৰ সদনত ভাষণ দিয়াৰ লগতে দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও বাৰ্তালাপ কৰিব।

ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই বটছোৱানা ভ্ৰমণ কৰিব। বটছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বাৰ্তালাপ কৰিব। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দেশ দুখনৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, শক্তি, কৃষি, স্বাস্থ্য, ফাৰ্মাচিউটিকেল, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আদি একাধিক বিষয় সন্দৰ্ভত আলোচনা কৰিব।

উল্লেখযোগ্য যে শ্ৰী দ্ৰৌপদী মুৰ্মুৱে হ'ব আফ্ৰিকান দেশ দুখনলৈ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি। ভাৰতে গোলকীয় দক্ষিণত শক্তিশালী অংশীদাৰিত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই ভ্ৰমণে অৰিহণা আগবঢ়াব।

ooooo

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি অসমৰ গুৱাহাটীৰ লাচিত ঘাটত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পৰ্কীয় চতুৰ্থ পৰ্যায়ৰ আলোচনা সম্পূৰ্ণ হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে জনোৱা মতে পাঁচ দিন ধৰি চলা এই আলোচনাত সামগ্ৰী আৰু সেৱা, অৰ্থনৈতিক সহযোগিতা আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰালয়ে জনোৱা মতে এই আলোচনা যথেষ্ট ফলপ্ৰসূ আৰু ইতিবাচক আছিল। দেশ দুখনে এটা শক্তিশালী আধুনিক আৰু সন্তুলিত বাণিজ্যিক সহযোগিতা গঢ়ি তোলাৰ বাবে সহমত প্ৰকাশ কৰিছে। এটা বিবৃতিত মন্ত্ৰালয়ে কৈছে যে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেল আৰু নিউজিলেণ্ডৰ বাণিজ্য মন্ত্ৰী টোড মেকলেই এই সিদ্ধান্ত আদৰণি জনাইছে। তেওঁলোকে কৈছে যে, এই চুক্তিয়ে উভয় দেশৰ মাজৰ বাণিজ্য, বিনিয়োগ বৃদ্ধি, যোগান শৃংখলা শক্তিশালী কৰাৰ লগতে বজাৰৰ উপলব্ধতা সুনিশ্চিত কৰিব। এই প্ৰস্তাৱিত চুক্তিয়ে কৃষি, খাদ্য প্ৰসংস্কৰণ, নৱীকৰণ যোগ্য শক্তি, ভেষজ, শিক্ষা আৰু সেৱা আদি ক্ষেত্ৰত নতুন সুযোগ সৃষ্টি কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। ভ্ৰমণকালত শ্ৰী মোদী আৰু ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুকে এহেজাৰ ২০ মেগাৱাট উৎপাদন ক্ষমতা সম্পন্ন পুনাত্ছাংছু-টু জলবিদ্যুৎ প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্প ভাৰত আৰু ভূটানে যুটীয়াভাৱে বিকশাই তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভূটানৰ চতুৰ্থ ৰজা জিগমে ছিংগ্যে ৱাংচুকৰ ৭০ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ছেৰিং টোবগেক সাক্ষাৎ কৰিব।

ইয়াৰ উপৰি শ্ৰী মোদীয়ে গোলকীয় শান্তি প্ৰাৰ্থনা মহোৎসৱত ভাগ ল'ব আৰু থিম্ফুৰ টাশ্বিছোদ্জোঙত পবিত্ৰ অৱশেষৰ পূজা-অৰ্চনা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে দুয়ো পক্ষকে দ্বিপাক্ষিক

সহযোগিতা অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰা আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক তথা বিভিন্ন বিষয়লৈ মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত শীঘ্ৰে সন্তুলিত আৰু পৰস্পৰৰ বাবে লাভজনক সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি সম্পাদন কৰাৰ বাবে  প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। শ্ৰী গোৱেলে অষ্ট্ৰেলিয়াৰ মেলবৰ্নত দেশখনৰ বাণিজ্য আৰু পৰ্যটন মন্ত্ৰী ড'ন ফেৰেল আৰু দক্ষতা তথা প্ৰশিক্ষণ মন্ত্ৰী এণ্ড্ৰিউ জাইলছৰ সৈতে হোৱা দ্বিপাক্ষিক আলোচনাৰ সময়ত এই কথা প্ৰকাশ কৰে।

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ে এই আলোচনাত দুয়ো দেশৰ মাজত সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিকে ধৰি ভাৰত-অষ্ট্ৰেলিয়া অৰ্থনৈতিক অংশীদাৰিত্বৰ পূৰ্ণ সামৰ্থ ব্যৱহাৰৰ বিষয়ে গুৰুত্ব আৰোপ কৰা বুলি প্ৰকাশ কৰিছে। বৈঠকত মন্ত্ৰীকেইগৰাকীয়ে  সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি সম্পৰ্কীয় আলোচনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যিক আৰু অৰ্থনৈতিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কাইলৈ নাগালেণ্ডৰ ক'হিমাত ৰাষ্ট্ৰ মণ্ডল সংসদীয় সংঘ-চি পি এৰ ভাৰত মণ্ডল-৩ৰ দ্বাবিংশ বাৰ্ষিক সন্মিলন মুকলি কৰিব। দুদিনীয়া এই সন্মিলনত প্ৰিজাইডিং বিষয়াৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সাংসদ আৰু বিধায়কসকলে অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ বিষয়বস্তু হৈছে-নীতি, প্ৰগতি আৰু জনসাধাৰণ ঃ পৰিৱৰ্তনৰ বাহকৰূপে বিধানমণ্ডল।

লোকসভাৰ সচিবালয়ে প্ৰকাশ কৰা মতে চি পি এৰ ভাৰত মণ্ডল তিনিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত আঞ্চলিক সহযোগিতা, উৎকৃষ্ট সংসদীয় অনুশীলন আৰু আন্তঃগাঁথনি উন্নয়নকে ধৰি আঞ্চলিক বিষয়সমূহ তথা এক্টইষ্ট নীতি কাৰ্যকৰী কৰা সন্দৰ্ভত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

ooooo

দেশৰ জনসাধাৰণক লাভান্বিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২২ ছেপ্তেম্বৰত জি এছ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰিছিল। আজি আমি এই জি এছ টিৰ নতুন কৰ ব্যৱস্থাৰ দ্বাৰা চামৰাৰ পৰা প্ৰস্তুত কৰা জোতা-চেণ্ডেল আদি খণ্ড কিদৰে লাভান্বিত হৈছে সেই বিষয়ত আলোকপাত কৰিছোঁ।-

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে উদ্যোগসমূহৰ ক্ষেত্ৰত কৰ ব্যৱস্থা সৰল কৰি তুলিছে। চামৰাৰ পৰা প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ জোতা-চেণ্ডেল আদিৰ ক্ষেত্ৰত পাঁচ শতাংশলৈ কৰ হ্ৰাস কৰা হৈছে। ইয়াৰ পূৰ্বে এই খণ্ডত ১২ শতাংশ কৰ আৰোপ কৰা হৈছিল। ইয়াৰ ফলত এই সামগ্ৰীসমূহৰ প্ৰস্তুত ব্যয় হ্ৰাস পাইছে আৰু দেশত চামৰাৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ উৎপাদন বৃদ্ধি হৈছে। ইয়াৰ ফলত যুৱ প্ৰজন্ম আৰু মজলীয়া আয়ৰ গ্ৰাহকসকল লাভান্বিত হৈছে।

ooooo

কাটাৰৰ দোহাত অনুষ্ঠিত বিশ্ব স্নুকাৰ চেম্পিয়নশ্বিপৰ প্ৰথম ৰাউণ্ডত পংকজ আদৱানিয়ে কালি কানাডাৰ ছাহিল নইয়ৰক ৪-১ ফলাফলত পৰাস্ত কৰে। আদৱানী গ্ৰুপ এইছৰ এই খেলখনত সহজে জয়লাভ কৰে। আদৱানী পৰৱৰ্তী খেলত মালয়েছিয়াৰ থোৰ ছুৱান লিয়ঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত